# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ভাৰত সম্প্ৰতি বিশ্বৰ বাবে উচ্চ বিকাশ আৰু কম মুদ্ৰাস্ফিতিৰ আৰ্হি ৰূপে পৰিগণিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে যুৱক-যুৱতীসকলক সজাগ হ'বলৈ আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনাইছে।

৩। ভাৰতে আন দেশৰ সৈতে কিদৰে সম্পৰ্ক গঢ়ি তোলে সেই ক্ষেত্ৰত আন দেশৰ হাত নাই বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে স্পষ্ট কৰিছে।

৪। ৰে'ল বিভাগে বিভিন্ন সংমণ্ডলত কালিৰে পৰা তিনিদিনৰ বাবে ৮৯ খন বিশেষ ৰে'ল চলাচলৰ দিহা কৰিছে।

*আৰু*

৫। ভাৰতে যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে।

ooooo

ভাৰত সম্প্ৰতি বিশ্বৰ বাবে উচ্চ বিকাশ আৰু কম মুদ্ৰাস্ফিতিৰ আৰ্হি ৰূপে পৰিগণিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয়, যে চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয় তৃমাষিক সময়ছোৱাত লাভ কৰা মুঠ ঘৰুৱা উৎপাদনৰ ৮ শতাংশৰ বিকাশ হাৰে দেশৰ বৰ্ধিত প্ৰগতিৰ কথাকে সূচায়। তেওঁ কয়, যে এয়া অকল পৰিসংখ্যাই নহয় বৰং শক্তিশালী স্থূল অৰ্থনীতিৰ প্ৰতীক আৰু ই গোলকীয় অৰ্থ ব্যৱস্থাৰ চালিকা শক্তি হিচাপে ভাৰতৰ স্থিতিকে প্ৰতিফলিত কৰে। গোলকীয় পৰ্যায়ত ভাৰতৰ স্থিতি সন্দৰ্ভত মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰত্যাহ্বান আৰু অনিশ্চিয়তাৰে ভৰা বিশ্বত ভাৰতৰ সুকীয়া পৰিচয় আছে। তেওঁ কয়, যে জনসাধাৰণে আৰ্থিক মন্দাৱস্থাৰ বিষয়ে ক'বলৈ লোৱাৰ সময়ত ভাৰত নিজৰ বিকাশ গাঁথাৰ ৰচনা কৰিবলৈ সমৰ্থ হৈছে। আস্থাৰ সংকটেৰে ভৰা বিশ্বত ভাৰতে বিশ্বাস স্তম্ভ আৰু সেঁতু নিৰ্মাতা হিচাপে থিয় দিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

শ্ৰীমোদীয়ে কয়, যে বৰ্তমানৰ শক্তিশালী ভেঁটিত ভৱিষ্যতৰ পৰিৱৰ্তন নিহিত হৈ আছে। তেওঁ কয়, যে দেশৰ উত্তৰ-পূৰ্বাঞ্চল, গাঁও, ক্ষুদ্ৰ চহৰ, মহিলা, যুৱক-যুৱতী, সামুদ্ৰিক অৰ্থ ব্যৱস্থা আৰু মহাকাশখণ্ডৰ দৰে পৰম্পৰাগতভাৱে কম বিকশিত ক্ষেত্ৰসমূহে সম্প্ৰতি পূৰ্ণ সম্ভাৱনাক বাস্তৱায়িত কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে ২০২৫ বৰ্ষত প্ৰত্যক্ষ কৰ ব্যৱস্থাৰ পৰা জি এছ টি লৈ সংস্কাৰৰ বৰ্ষ হিচাপে অভিহিত কৰে। মানসিক দাসত্ব আৰু ঔপনিৱেশিক মানসিকতাক বিকশিত ভাৰত গঢ়াৰ লক্ষ্যৰ দিশৰ পৰা গুৰুত্বৰ বাধা

বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে কোনো ৰাষ্ট্ৰই আত্মবিশ্বাস অবিহনে আগবাঢ়ি যাব নোৱাৰে। তেওঁ কয়, যে জাহাজ নিৰ্মাণে হওক বা প্ৰতিৰক্ষা আহিলা নিৰ্মাণৰ ক্ষেত্ৰতে হওক সকলোতে দাসত্ব মনোভাৱ আৰু হিনমান্যতাৰ ভাৰ এৰাই চলি গৰ্ববোধৰ নতুন ভাৱনাৰে অগ্ৰসৰ হোৱাৰ প্ৰয়াস চলোৱা হৈছে। দেশৰ জনসাধাৰণ আৰু চৰকাৰৰ মাজত আস্থা বৃদ্ধি পাইছে বুলি প্ৰধানমন্ত্ৰীয়েও উল্লেখ কৰে। তেওঁ কয়, যে নাগৰিক কেন্দ্ৰিক দৃষ্টিভংগীৰ বাবে শাসন ব্যৱস্থা সু ব্যৱস্থিত হৈছে। তেওঁ লগতে দেশক ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্ত কৰাৰ বাবে পৰৱৰ্তী ১০ বছৰত স্পষ্ট সময়সীমা ৰূপে গণ্য কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

ooooo

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে যুৱক-যুৱতীসকলক সজাগ হ'বলৈ আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনাইছে। গুজৰাটৰ একতাৰ মূৰ্তিত চৰ্দাৰ @150 শীৰ্ষক ৰাষ্ট্ৰীয় পদযাত্ৰাৰ সামৰণি অনুষ্ঠানত ভাষণ দি উপৰাষ্ট্ৰপতিগৰাকীয়ে কালি এইদৰে আহ্বান জনায়। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ ভাষণত যুৱক-যুৱতীসকলক দেশৰ বিকাশৰ চালিকা শক্তি বুলি অভিহিত কৰে আৰু দেশৰ বিশাল যুৱপ্ৰজন্মই মহান ৰাষ্ট্ৰীয় শক্তিক প্ৰতিনিধিত্ব কৰা বুলি মন্তব্য কৰে। দেশৰ একতা আৰু ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত চৰ্দাৰ বল্লভ ভাই পেটেলৰ অপাৰ অৱদানৰ কথা স্মৰণ কৰি শ্ৰীৰাধাকৃষ্ণণে যুৱ প্ৰজন্মক বল্লভভাই পেটেলৰ প্ৰমূল্যৰাজি আকোঁৱালি ল'বলৈ আহ্বান জনায়। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মাই যুৱা ভাৰতৰ দৰে যুৱ প্ৰজন্মৰ শক্তি চৰিত্ৰ গঠন, উদ্ভাৱণ আৰু উদ্যমশীলতাৰ দিশে লৈ যোৱাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ বিষয়ে আলোকপাত কৰে। চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জন্মবাৰ্ষিকী উদযাপন কল্পে যোৱা ২৬ নৱেম্বৰত কৰম চদৰ পৰা এই পদযাত্ৰা আৰম্ভ কৰা হৈছিল আৰু কালি গুজৰাটত থকা একতাৰ মূৰ্তিৰ সমীপত এই যাত্ৰাৰ সামৰণি পৰে। গুজৰাটৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰত, মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু মুনসুখ মান্দাভিয়া, ৰক্ষা খড়ছে আৰু ৰাজীৱ ৰঞ্জন ৰায়কে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী সামৰণি অনুষ্ঠানত উপস্থিত থাকে।

ooooo

ভাৰতে আন দেশৰ সৈতে কিদৰে সম্পৰ্ক গঢ়ি তোলে সেই ক্ষেত্ৰত আন দেশৰ হাত নাই বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে স্পষ্ট কৰিছে। নতুন দিল্লীত কালি এটা অনুষ্ঠানত ভাষণ দি ডং জয়শংকৰে কয় যে, ভাৰতৰ ভূ-ৰাজনীতি ক্ষেত্ৰত বিকল্পৰ স্বতন্ত্ৰতা আৰু সুকীয়া বিদেশ নীতি তথা প্ৰতিৰক্ষা সিদ্ধান্ত গ্ৰহণৰ সামৰ্থ আছে। তেওঁ লগতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ সদ্যসমাপ্ত ভ্ৰমণে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কত নেতিবাচক সম্পৰ্কৰ প্ৰভাৱ পেলাব আৰু তেওঁলোকৰ সৈতে সম্ভাব্য মুক্ত বাণিজ্য চুক্তিত বাধাৰ সৃষ্টি হোৱাৰ কথা নুই কৰে। আমেৰিকাৰ সৈতে যোগাযোগ বা আলোচনাৰ অভাৱ নাই বুলি মন্ত্ৰীগৰাকীয়ে সদৰী কৰে। ভাৰতৰ ভূ-ৰাজনৈতিক আকাংক্ষাৰ বিষয়ে উল্লেখ কৰি বিদেশমন্ত্ৰীগৰাকীয়ে কয়, যে অধিক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰাৰ সম্ভাৱনাৰে ভৰা এখন উদীয়মান দেশ হিচাপে আন দেশৰ সৈতে ভাল সম্বন্ধ জৰুৰী। তেওঁ কয়, যে ভাৰতে গোষ্ঠী নিৰপেক্ষ নীতি অনুসৰি নিজৰ স্থিতি উন্নত কৰিব বিচাৰে আৰু যিমান পাৰি সিমান দেশৰ সৈতে সহযোগিতা বৰ্তাই ৰাখিব বিচাৰে।

ooooo

ৰে'ল বিভাগে কালিৰে পৰা একাধিক সংমণ্ডলত তিনিদিনীয়াকৈ ৮৯ খন বিশেষ ৰে'লৰ দিহা কৰিছে। বিমান সেৱা বাতিল আৰু শীতকালীন কিছু সমস্যাক কেন্দ্ৰ কৰি এই বিশেষ ৰে'লসমূহৰ ব্যৱস্থা কৰা হৈছে।

ৰে'ল যাত্ৰাৰ চাহিদ বৃদ্ধি কৰাৰ লগতে ৰে'লৰ সুচল যাত্ৰাক সমৰ্থন কৰা আৰু পৰ্যাপ্ত সংযোগ সুনিশ্চিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। মধ্য ৰে'লৱেত পুনেৰ পৰা বেংগালুৰুলৈ, পুনেৰ পৰা দিল্লীলৈ আৰু মুম্বাইৰ পৰা দিল্লীলৈকে ১৪ খন বিশেষ ৰে'লৰ দিহা কৰিছে। পশ্চিম ৰে'লৱেত ভিৱানীৰ পৰা মুম্বাইলৈ আৰু মুম্বাইৰ পৰা চকুৰবস্তিকে আদি কৰি বিভিন্ন পথত ৭ খন বিশেষ ৰে'ল চলাচল কৰিছে। একেদৰে দক্ষিণ-মধ্য ৰে'লৱেত চেৰ্লাপল্লিৰ পৰা শালিমাৰলৈ, চিকন্দৰাবাদৰ পৰা চেন্নাই এগম'ৰলৈকে আৰু হায়দৰাবাদৰ পৰা মুম্বাইলৈ ৩ খন বিশেষ ৰে'লৰ দিহা কৰিছে।

ooooo

ইউৰোপৰ নাটোৰ মিত্ৰ দেশসমূহে ২০২৭ চনৰ ভিতৰত চোৰাংচোৰা তথ্য আহৰণ আৰু ক্ষেপনাস্ত্ৰ প্ৰতিৰক্ষাকে ধৰি নাটোৰ নিয়মীয়া প্ৰতিৰক্ষা কাম-কাজৰ অধিকাংশ দায়িত্ব নিজেই গ্ৰহণ কৰাটো বিচৰা বুলি আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰকাশ কৰিছে। পেণ্টাগণৰ বিষয়াসকলে এই বাৰ্তা প্ৰেৰণ কৰিছে। কিন্তু ইউৰোপৰ একাংশ নেতাই এই সময়সীমা অত্যাধিক প্ৰত্যাহ্বানমূলক আৰু অবাস্তৱ বুলি অভিহিত কৰিছে। নাটোৰ প্ৰতিষ্ঠাপক সদস্য আমেৰিকাই সামৰিক বোজা ইউৰোপীয় অংশীদাৰ দেশসমূহৰ পৰা স্থানান্তৰ কৰিব বিচাৰিছে। আমেৰিকাৰ বিষয়াসকলে প্ৰকাশ কৰে যে ইউক্ৰেইন-ৰাছিয়াৰ সংঘাতৰ পাছত ইউৰোপৰ প্ৰতিৰক্ষা ব্যয় আৰু সামৰ্থ বৃদ্ধিক লৈ তেওঁলোক সন্তুষ্ট নহয়।

ooooo

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰে পৰা ভোটদাতাসকলৰ মাজত ৫০ কোটি ৯৩ লাখৰো অধিক গণনাপত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। বিতৰণ কৰা প্ৰ-পত্ৰৰ সংখ্যা এই পৰ্যায়ত সামৰি ল'বলগীয়া ৫১ কোটি ভোটদাতাৰ প্ৰায় ৯৯ দশমিক ৯-৩ শতাংশ। আয়োগে প্ৰকাশ কৰা মতে বৰ্তমানলৈকে প্ৰায় ৪৯ কোটি প্ৰপত্ৰৰ ডিজিটেল ৰূপ প্ৰদানৰ কাম সম্পূৰ্ণ হৈছে। দেশৰ ৯খন ৰাজ্য আৰু তিনিটা কেন্দ্ৰীয় শাসিত অঞ্চলত ৪ নৱেম্বৰত দ্বিতীয় পৰ্যায় ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়াৰ আৰম্ভ হৈছিল। ১৪ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশেৰে এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব।

ooooo

ভাৰতে যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি ২-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। ভাৰতে ২৭১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৩৯ অভাৰ আৰু ৫টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ যশস্বী জয়ছোৱালে ১১৬ আৰু বিৰাট কোহলিয়ে ৬৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৰোহিত শৰ্মাই ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৭০ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ কুইণ্টন ডিককে সৰ্বাধিক ১০৬ ৰান কৰে। টেম্বা বাবুমাই ৪৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ কুলদীপ যাদৱ আৰু প্ৰসিদ্ধ কৃষ্ণাই ৪টাকৈ উইকেট দখল কৰে।

ooooo

**সমাপ্ত**